**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-08-2025 **Time :** 1340 Hrs.

## Assamese Midday Bulletin

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ গয়াত ১৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। ভাৰতত থকা চীনৰ ৰাষ্ট্ৰদূত ঝু ফেই হঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত টিয়াংজিন ভ্ৰমণে দুয়ো দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰিব বুলি মন্তব্য কৰে।

৩। পাঞ্জাৰী চলচ্চিত্ৰৰ বিশিষ্ট অভিনেতা তথা জনপ্ৰিয় কৌতুক শিল্পী যশবিন্দৰ ভাল্লাৰ মহালিৰ এখন ব্যক্তিগত চিকিৎসালয়ত আজি পুৱা মৃত্যু হয়।

*আৰু*

৪। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৰাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ গয়াত ১৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত গংগা নৈৰ ওপৰত নিৰ্মাণ হ'বলগীয়া প্ৰায় ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলং নিৰ্মাণ প্ৰকল্প অন্যতম। এই দলঙে পাটনা জিলাৰ মোক্‌মা আৰু বেগুচৰাইৰ মাজত পোনপটীয়া যোগাযোগ স্থাপন কৰিব। নতুন দলংখনে উত্তৰ বিহাৰ আৰু দক্ষিণ বিহাৰৰ মাজত  বাহনেৰে যাত্ৰা কৰা সকলৰ বাবে দূৰত্ব ১০০ কিলোমিটাৰৰ অধিক হ্ৰাস কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে গয়া আৰু দিল্লীৰ মাজত চলাচল কৰিবলগীয়া অমৃত ভাৰত এক্সপ্ৰেছ তথা বৈশালি কোডৰমাৰ মাজৰ বুদ্ধ চাৰ্কিট ৰে'লগাড়ী দুখনৰো যাত্ৰাৰ শুভাৰম্ভ কৰে। ইয়ে অঞ্চলটোৰ বুদ্ধ ধৰ্মৰ প্ৰধান প্ৰধান পৰ্যটনস্থলীৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে একাংশ হিতাধিকাৰীক প্ৰতীক ৰূপত চাবি প্ৰদানেৰে প্ৰধানমন্ত্ৰী নগৰীয়া আৱাস যোজনাৰ ৪ হাজাৰ ২৬০ গৰাকী আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ ১২ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠান সম্পন্ন কৰে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে বিহাৰৰ ক্ষিপ্ৰ উন্নয়নে এন ডি এ চৰকাৰৰ শীৰ্ষ অগ্ৰাধিকাৰৰ বিষয়বস্তু। তেওঁ কয় যে এই প্ৰকল্পসমূহে বিহাৰৰ ঔদ্যোগিক খণ্ডক শক্তিশালী কৰাৰ লগতে যুৱ প্ৰজন্মৰ বাবে নিয়োগৰ নতুন সুযোগ সৃষ্টি কৰিব। তেওঁ কয় যে যোৱা ১১ বছৰত দেশৰ ৪ কোটিতকৈও অধিক দৰিদ্ৰ পৰিয়ালক স্থায়ী বাসগৃহ প্ৰদান কৰাৰ লগতে বিহাৰত ৩৮ লাখ গৃহ নিৰ্মাণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে অপাৰেচন সিন্দূৰে দেশৰ প্ৰতিৰক্ষা নীতিত নতুন যুগৰ সূচনা কৰিছে। তেওঁ উল্লেখ কৰে যে বিহাৰৰ ৰে'ল বিভাগৰ উন্নয়নৰ বাবে এন ডি এৰ দ্বৈত ইঞ্জিনৰ চৰকাৰখনে ক্ষিপ্ৰতাৰে কাম কৰি আছে। তেওঁ জানিবলৈ দিয়ে যে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত গয়া ৰে'ল ষ্টেচনক আধুনিক কৰি তোলা হৈছে আৰু যাত্ৰীসকলক বিমান বন্দৰৰ লেখিয়া সুবিধা প্ৰদান কৰা হৈছে।

পশ্চিমবংগত আজি বিয়লি প্ৰধানমন্ত্ৰীয়ে কলকাতা মেট্ৰ'ৰ নতুনকৈ নিৰ্মাণ কৰা দুটা খণ্ডত ৰে'ল সেৱাৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে জেছোৰ ৰোড মেট্ৰ' ষ্টেচনৰ পৰা জয়হিন্দ বিমাণ বন্দৰ ষ্টেচনলৈ মেট্ৰ' ৰে'লৰে যাত্ৰা কৰিব। ইয়াৰ উপৰি ভ্ৰমণকালত শ্ৰীমোদীয়ে কলকাতাত ৫ হাজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এটা সমাৰশতো ভাষণ দিব। প্ৰধানমন্ত্ৰীয়ে কৈছে যে পশ্চিম বংগৰ বিকাশৰ বাবে ৰাজ্যখনৰ জনসাধাৰণে বিজেপিলৈ আশাৰে বাট চাই আছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ জনসাধাৰণৰ দিন যোৱাৰ লগে লগে তৃণমূল কংগ্ৰেছ দলটোৰ প্ৰতি ক্ষোভ বৃদ্ধি পাইছে।

oooooooo

নতুন দিল্লীত আজি এন ডি এৰ সাংসদসকলে উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰি সম্বৰ্দ্ধনা জনায়। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশী, মনোহৰ লাল, অৰ্জুন ৰাম মেঘৱাল, হৰ্ষ মালহোত্ৰাৰ লগতে দিল্লী, হাৰিয়ানা আৰু ৰাজস্থানৰ বহুকেইগৰাকী সাংসদ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে শ্ৰীৰাধাকৃষ্ণণক শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখযোগ্য যে অহা ৯ ছেপ্তেম্বৰত দেশৰ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব। আজি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। যোৱা মাহত জগদীপ ধনখড়ে স্বাস্থ্যজনিত কাৰণত পদত্যাগ কৰাৰ পৰিপ্ৰেক্ষিততে নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হৈছে। এয়া হ'ব দেশৰ সপ্তদশ সংখ্যক উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন।

oooooooo

প্ৰধানমন্ত্ৰী

oooooooo

পাঞ্জাৱী চলচ্চিত্ৰৰ বিশিষ্ট অভিনেতা তথা জনপ্ৰিয় কৌতুক শিল্পী যশবিন্দৰ ভাল্লাৰ মহালিৰ এখন ব্যক্তিগত চিকিৎসালয়ত আজি পুৱা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। পৰিয়ালৰ সূত্ৰই জনোৱা মতে বালোংগি শ্মশানত কাইলৈ দুপৰীয়া ১২ বজাত অভিনেতাগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

লুধিয়ানাৰ দৰাহা চহৰত জন্মগ্ৰহণ কৰা যশবিন্দৰ ভাল্লাই পঞ্জাৱ কৃষি বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ লগতে মিৰাটৰ চৌধাৰী চৰণ সিং পোষ্ট গ্ৰেজুৱেট কলেজৰ পৰা পি এছ ডি ডিগ্ৰী লাভ কৰিছিল। যশবিন্দৰ ভাল্লাই অতি কম বয়সতে কৌতুক আৰু অভিনয় জগতখনত প্ৰৱেশ কৰিছিল। চলচ্চিত্ৰত বিভিন্ন স্মৰণীয় চৰিত্ৰত কৰা তেওঁৰ অভিনয় আৰু ব্যতিক্ৰমী কৌতুকশৈলীৰ বাবে মনোৰঞ্জনৰ জগতখনত তেওঁৰ স্থান অপূৰণীয় হৈ থাকিব।

১৯৮৮ চনত জনপ্ৰিয় পাঞ্জাৱী ছবিত অভিনয়েৰে তেওঁ অভিনয় জগতত প্ৰবেশ কৰিছিল। যশবিন্দৰ ভাল্লাই দোলাভাট্টি ছবিখনেৰে অভিনয় যাত্ৰা আৰম্ভ কৰিছিল। তেওঁ অভিনয় যাত্ৰাৰ আৰম্ভণিৰ সময়ছোৱাত জলন্ধৰ দূৰদৰ্শনৰ বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল।

oooooooo

উচ্চতম ন্যায়ালয়ে দিল্লী-এন চি আৰ অঞ্চলৰ গৰাকীবিহীন বাটৰ কুকুৰক ধৰা আৰু সম্পূৰ্ণৰূপে স্থানান্তৰ কৰাৰ ক্ষেত্ৰত পূৰ্বে দিয়া নিৰ্দেশনাৰ সংশোধন কৰে। ন্যায়াধীশ বিক্ৰম নাথ, সন্দিপ মেহতা আৰু এন ভি আন্জাৰিয়াৰ তিনিজনীয়া বিচাৰপীঠৰ শেহতীয়া নিৰ্দেশনা মতে বাটৰ পৰা ধৰি অনা কুকুৰসমূহক বীজাণুমুক্ত কৰাৰ পাছত নিজৰ নিজৰ এলেকাত মুকলি কৰি দিবলৈ নিৰ্দেশ দিছে। অৱশ্যে যিসমূহ কুকুৰৰ

গাত ৰেবিছ ভাইৰাছৰ বীজাণু পোৱা গৈছে আৰু যিসমূহ কুকুৰ অতি উগ্ৰ স্বভাৱৰ তেনে কুকুৰসমূহৰ বাবে ন্যায়ালয়ৰ পূৰ্বৰ নিৰ্দেশনা বাহাল থাকিব।

ন্যায়াধীশ বিক্ৰম নাথ নেতৃত্বাধীন বিচাৰপীঠে কুকুৰসমূহক ৰাজহুৱা খাদ্য খুওৱাৰ ক্ষেত্ৰত বাধা আৰোপ কৰাৰ লগতে গৰাকী তথা আশ্ৰয়বিহীন কুকুৰৰ বাবে নিৰ্দিষ্ট খাদ্যৰ স্থান সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

০০০০০০০০

ভাৰতীয় ৰে'লৱে উৎসৱৰ বতৰত ভক্ত আৰু যাত্ৰীসকলৰ বাবে আৰামদায়ক আৰু সুচল যাত্ৰা সুনিশ্চিত কৰাৰ বাবে ৩৮০ খন গণপতি বিশেষ ৰে'লগাড়ী চলাচল কৰোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ২০২৩ বৰ্ষত এনে ধৰণৰ মুঠ ৩০৫ খন ৰে'লগাড়ী চলাচল কৰোৱা হৈছিল আৰু যোৱা বছৰ এনে ৰে'লগাড়ীৰ সংখ্যা ৩৫৮লৈ বৃদ্ধি কৰা হৈছে। ৰে'ল মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে, যে মহাৰাষ্ট্ৰ আৰু কোংকন অঞ্চলত উৎসৱৰ সময়ছোৱাত যাত্ৰীৰ বৰ্ধিত চাহিদা পূৰণৰ বাবে মধ্য ৰে'লৱে সৰ্বাধিক ২৯৬ খন ৰে'লগাড়ীৰ দিহা কৰিব। পশ্চিম ৰে'লৱে ৫৬, কোংকন ৰে'লৱে ৬ আৰু দক্ষিণ-পশ্চিম ৰে'লৱে ২২ খন গণপতি বিশেষ ৰে'লগাড়ীৰ চলাচল কৰিব। গণপতি পূজা ২৭ আগষ্টৰ পৰা ৬ ছেপ্তেম্বৰলৈ উদযাপন কৰা হ'ব। উৎসৱৰ সময়ছোৱাত যাত্ৰাৰ সম্ভাব্য ভীৰলৈ চাই ১১ আগষ্টৰ পৰা গণপতি বিশেষ ৰে'লগাড়ীসমূহৰ সেৱা আৰম্ভ কৰা হৈছে।

০০০০০০০০

নাগালেণ্ডৰ আই চি এ আৰ কৃষি বিজ্ঞান কেন্দ্ৰ ৰখাক উত্তৰ পূৰ্বাঞ্চলৰ সৰ্বশ্ৰেষ্ঠ কৃষি বিজ্ঞান কেন্দ্ৰ হিচাপে পুৰস্কৃত কৰা হৈছে। ২০০খন আবেদনৰ ভিতৰত ৰখা সৰ্বশ্ৰেষ্ঠ হিচাপে বিবেচিত হয়। তামিলনাডুৰ তিৰুচিৰাপল্লিত কালি ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু কিষাণ মেলা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত কেন্দ্ৰটোক এই বঁটা প্ৰদান কৰা হয়।

০০০০০০০০

কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত কাইলৈ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ'ব।

ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে বুধবাৰে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনৰ দ্বিতীয়াৰ্ধত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবৰ হৈ মাইকেল কৰ্টাজাৰে প্ৰথমটো গল দিয়ে যদিও তাৰ কিছু সময়ৰ পাছতে ইষ্ট বেংগলৰ আনোৱাৰ আলীয়ে সমতা স্থাপন কৰে। পাছত ডায়মণ্ড হাৰ্বাৰৰ জবিয়ে দলৰ হৈ বিজয়সূচক গ'লটো দিয়ে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০০

**সমাপ্ত**